**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 15-10-2025
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::**

১। সাংস্কৃতিক ঐতিহ্য আৰু গণতান্ত্ৰিক মূল্যবোধ ভাৰত আৰু মংগোলিয়াৰ মাজৰ সম্পৰ্কৰ মূল ভেটি বুলি- মংগোলিয়াৰ ৰাষ্ট্ৰপতি খুৰেলচুখ উখনাক আদৰণি জনাই ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে প্ৰকাশ কৰে।

২। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে নতুন দিল্লীত আজি ব্ৰাজিলৰ উপ-ৰাষ্ট্ৰপতিৰ সৈতে বৈঠকত মিলিত হ'ব।

৩। ৰাজস্থানৰ জেছলমেৰৰ সমীপত কালি সংঘটিত এটা পথ দুৰ্ঘটনাত ২০ গৰাকী লোকৰ মৃত্যু হোৱাৰ লগতে বহুকেইগৰাকী লোক গুৰুতৰভাৱে আহত হৈছে।

৪। ভাৰতে আজিৰ পৰা আমেৰিকা যুক্তৰাষ্ট্ৰলৈ আন্তঃৰাষ্ট্ৰীয় ডাক সেৱা আৰম্ভ কৰিব। ***আৰু***

৫। আই চি চি মহিলাৰ এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত কালি বৰষুণৰ বাবে শ্ৰীলংকা আৰু নিউজিলেণ্ডৰ মাজৰ খেলখন পৰিত্যক্ত ঘোষণা কৰা হয়।

০০০০০

সাংস্কৃতিক ঐতিহ্য আৰু গণতান্ত্ৰিক মূল্যবোধ হৈছে ভাৰত আৰু মংগোলিয়াৰ মাজৰ সম্পৰ্কৰ মূল ভেটি। ৰাষ্ট্ৰপতি ভৱনত কালি মংগোলিয়াৰ ৰাষ্ট্ৰপতি খুৰেলচুখ উখনা আৰু তেওঁৰ প্ৰতিনিধিসকলক আদৰণি জনাই ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে ভাৰত আৰু মংগোলিয়া হৈছে কৌশলগত অংশীদাৰ। বিগত ২৫ বছৰত ভাৰতে মংগোলিয়াত থকা বৌদ্ধ মঠ পুনৰুদ্ধাৰ আৰু প্ৰাচীন পাণ্ডুলিপি পুনৰ ছপা কৰাকে ধৰি বিভিন্ন সাংস্কৃতিক প্ৰকল্প হাতত লৈছে বুলিও ৰাষ্ট্ৰপতিগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয়, যে কালি সমাপ্ত হোৱা সাংস্কৃতিক বিনিময় কাৰ্যসূচী সম্পৰ্কীয়ে বুজাবুজিৰ চুক্তিয়ে দুয়োখন দেশৰ মাজত সাংস্কৃতিক আদান-প্ৰদানক অধিক প্ৰসাৰিত কৰিব। ভাৰতে মংগোলিয়াৰ সৈতে উন্নয়ন আৰু বিকাশক অগ্ৰাধিকাৰ দিছে বুলিও ৰাষ্ট্ৰপতিগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয়, যে দুয়োখন দেশৰ বন্ধুত্ব আৰু সহযোগিতাক উন্নত কৰাৰ বাবে বৰ্তমান চলি থকা সকলো প্ৰকল্প সময়মতে সম্পূৰ্ণ কৰিবলৈ ভাৰত প্ৰতিশ্ৰুতিবদ্ধ। ৰাষ্ট্ৰসংঘ আৰু গ্ল'বেল ছাউথৰ সদস্য ৰাষ্ট্ৰ হিচাপে দুয়োখন দেশৰ ঘনিষ্ঠ সহযোগিতাৰো শ্ৰীমতী মুৰ্মুৱে শলাগ লয়। দুয়োখন দেশৰ জনসাধাৰণক উপকৃত কৰিব পৰা সহযোগিতাসমূহৰ লগতে দ্বিপাক্ষিক সম্পৰ্কও অধিক উন্নীত কৰাৰ সময় আহি পৰিছে বুলিও দুয়োগৰাকী ৰাষ্ট্ৰপতিগৰাকীয়ে সহমত প্ৰকাশ কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও কালি মংগোলিয়াৰ ৰাষ্ট্ৰপতি খুৰেলচুখ উখনাৰ সৈতে নতুন দিল্লীত প্ৰতিনিধি পৰ্য্যায়ৰ আলোচনাত মিলিত হয়। বৈঠকত দুয়োপক্ষই মানৱীয় সাহায্য, মংগোলিয়াৰ ঐতিহাসিক স্থানৰ পুনৰুদ্ধাৰ, প্ৰব্ৰজন, ভূবিজ্ঞান আৰু খনিজ সম্পদৰ ক্ষেত্ৰত সহযোগিতা, সমবায়ৰ প্ৰসাৰ তথা ডিজিটেল সমাধান সূত্ৰৰ বিনিময়কে ধৰি বিভিন্ন ক্ষেত্ৰত কেইবাখনো বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰে। এই

উপলক্ষে প্ৰধানমন্ত্ৰী মোদী আৰু শ্ৰীউখনাই যুটীয়াভাৱে দুয়ো দেশৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্কৰ ৭০ সংখ্যক বাৰ্ষিকীৰ লগত সংগতি ৰাখি এটা স্মাৰক ডাক টিকট জাৰি কৰে। বৈঠকৰ অন্তত প্ৰধানমন্ত্ৰী মোদীয়ে নতুন দিল্লীত এখন যুটীয়া সংবাদমেলত কয়, যে ভাৰতে মংগোলিয়াৰ নাগৰিকসকলক বিনামূলীয়া ই-ভিছা প্ৰদান কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। তেওঁ কয়, যে ভাৰতে মংগোলিয়াৰ পৰা যুৱ-সাংস্কৃতিক দ্ৰুত বাৰ্ষিক ভাৰত যাত্ৰাৰ পৃষ্ঠপোষকতা কৰিব। তেওঁ লগতে কয়, যে ভাৰত আৰু মংগোলিয়াৰ মাজৰ সম্পৰ্ক অকল কূটনৈতিকে নহয়, বৰং দেশ দুখনৰ মাজত আধ্যাত্মিক আৰু ভাৱনাত্মক সম্পৰ্ক আছে।

উল্লেখযোগ্য যে চাৰিদিনীয়া ভ্ৰমণসূচীৰে পৰহি নতুন দিল্লীত মংগোলিয়াৰ ৰাষ্ট্ৰপতি খুৰেলচুখ উখনা উপস্থিত হৈছে। শ্ৰীউখনাৰ সৈতে মংগোলিয়াৰ কেবিনেট মন্ত্ৰী, সাংসদ, জ্যেষ্ঠ বিষয়া, বিশিষ্ট ব্যৱসায়ী আৰু সাংস্কৃতিক ক্ষেত্ৰৰ এটা প্ৰতিনিধি দলো ভাৰতলৈ আহিছে।

00000

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি নতুন দিল্লীত আজি ব্ৰাজিলৰ উপ-ৰাষ্ট্ৰপতি জেৰাল্ডো আলকমিনৰ সৈতে বৈঠকত মিলিত হ'ব। বৈঠকখনত ব্ৰাজিলৰ প্ৰতিৰক্ষা মন্ত্ৰী জোচে মুচিঅ' মণ্টেইৰো ফিলহোও উপস্থিত থাকিব। প্ৰতিৰক্ষা মন্ত্ৰালয়ে এক বিবৃতিযোগে জনায় যে এই আলোচনাত নেতাসকলে দুয়োখন দেশৰ প্ৰতিৰক্ষাৰ ক্ষেত্ৰত বহুমুখী সম্পৰ্কৰ সমগ্ৰ পৰিসৰ পৰ্যালোচনা কৰিব। দুয়োগৰাকী নেতাই সামৰিক আৰু প্ৰতিৰক্ষা ঔদ্যোগিক সহযোগিতা তথা পাৰস্পৰিক স্বাৰ্থৰ ক্ষেত্ৰসমূহ সন্দৰ্ভতো মত বিনিময় কৰিব।

00000

ৰাজস্থানৰ জেছলমেৰৰ সমীপত কালি সংঘটিত এটা পথ দুৰ্ঘটনাত ২০ গৰাকী লোকৰ মৃত্যু হোৱাৰ লগতে বহুকেইগৰাকী লোক গুৰুতৰভাৱে আহত হৈছে। জেছলমেৰ-যোধপুৰ ঘাইপথত বিয়লি এখন এ চি স্লিপাৰ বাছত অগ্নিকাণ্ডৰ সূত্ৰপাত হৈ এই দুৰ্ঘটনা সংঘটিত হয়। ঘটনাস্থলীতে ১৯ গৰাকী লোকৰ মৃত্যু হোৱাৰ লগতে এগৰাকী ব্যক্তিক চিকিৎসালয়লৈ নিয়াৰ পথত মৃত্যুমুখত পৰে। পোকৰণৰ বিধায়ক প্ৰতাপপুৰিয়ে সংবাদমাধ্যমৰ সন্মুখত নিশ্চিত কৰিছে যে শ্বৰ্ট চাৰ্কিটৰ ফলত এই দুৰ্ঘটনা সংঘটিত হৈছে। দুৰ্ঘটনাৰ সময়ত বাছখনত ৫০ গৰাকীৰো অধিক যাত্ৰী আছিল। ইয়াৰে আহত বেছি সংখ্যকৰে ৭০ শতাংশ পৰ্যন্ত অগ্নিদগ্ধ হৈছে। আহত সকলক যোধপুৰৰ মহাত্মা গান্ধী হাস্পতালত ভৰ্তি কৰোৱা হৈছে। বিভাগীয় সূত্ৰই জনোৱা অনুসৰি মৃত ব্যক্তিসকলৰ পৰিচয় ডি এন এ পৰীক্ষাৰ দ্বাৰাহে জানিব পৰা যাব। বাছত থকা নিৰুদ্দিষ্ট লোকসকলৰ পৰিয়ালক জিলা প্ৰশাসনৰ সৈতে যোগাযোগ কৰিবলৈ আহ্বান জনোৱা হৈছে। মুখ্যমন্ত্ৰী ভজনলাল শৰ্মাই কালি সন্ধিয়া দুৰ্ঘটনাস্থলী পৰিদৰ্শন কৰে আৰু যোধপুৰৰ চিকিৎসালয়ত আহতসকলক সাক্ষাৎ কৰি তেওঁ আহতসকলক উচিত চিকিৎসা প্ৰদানৰ বাবে নিৰ্দেশ দিয়ে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে সামাজিক মাধ্যমত দুৰ্ঘটনাত নিহত সকলৰ প্ৰতি শোক প্ৰকাশ কৰে। তেওঁ কয়, যে কেইবাগৰাকীও লোকে প্ৰাণ হেৰুওৱাৰ ঘটনা অত্যন্ত হৃদয় বিদাৰক। শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰাৰ লগতে আহত সকলৰ আশু আৰোগ্যসকলৰ বাবে ৰাষ্ট্ৰপতিগৰাকীয়ে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনায়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও এই দুৰ্ঘটনাক কেন্দ্ৰ কৰি শোক প্ৰকাশ কৰাৰ লগতে আহতসকলৰ আৰোগ্য কামনা কৰে। কেন্দ্ৰীয় চৰকাৰে মৃতকৰ পৰিয়াললৈ ২ লাখ টকা আৰু আহত সকলৰ বাবে ৫০ হাজাৰ টকাৰ এককালীন সাহায্য ঘোষণা কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ অন্ধ্ৰপ্ৰদেশ ভ্ৰমণ কৰিব। এই ভ্ৰমণৰ সময়ছোৱাত তেওঁ নন্দয়াল জিলাৰ শ্ৰীছেলমৰ শ্ৰীভ্ৰমৰম্ব মল্লিকাৰ্জুন স্বামী ৱৰ্লা দেৱভস্থানমত পূজা-অৰ্চনাত অংশ ল'ব। তেওঁ লগতে শ্ৰীছেলমৰ শ্ৰীশিৱাজী স্ফুৰ্তি কেন্দ্ৰ পৰিদৰ্শন কৰিব। প্ৰধানমন্ত্ৰীগৰাকীয়ে বিয়লি কুৰ্ণুলত ১৩ হাজাৰ ৪৩০ কোটি ব্যয় সাপেক্ষে কেইবাটাও উন্নয়নমূলক প্ৰকল্প উদ্বোধন কৰাৰ লগতে আধাৰশিলাও স্থাপন কৰিব। এই প্ৰকল্পসমূহ উদ্যোগ, শক্তি, পথ, ৰে'লপথ, প্ৰতিৰক্ষা, পেট্ৰ'লিয়াম, প্ৰাকৃতিক গেছ আদি উন্নীতকৰণৰ সৈতে জড়িত হৈ আছে। এই উপলক্ষে এখন ৰাজহুৱা সভাতো শ্ৰীমোদীয়ে অংশ ল'ব।

ooooo

ভাৰতে আজিৰ পৰা আমেৰিকা যুক্তৰাষ্ট্ৰলৈ আন্তঃৰাষ্ট্ৰীয় ডাক সেৱা আৰম্ভ কৰিব। যোগাযোগ মন্ত্ৰালয়ে জাৰি কৰা এখন বিজ্ঞপ্তিত এইবুলি জনাইছে যে, ভাৰতীয় ডাক বিভাগে বিশদ প্ৰণালী উন্নয়ন আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ সীমা শুল্ক আৰু সীমান্ত সুৰক্ষা বিভাগৰ সৈতে সমন্বয়েৰে প্ৰদান শুল্ক আদায় প্ৰক্ৰিয়াৰ বাবে এটা অনুকুল ব্যৱস্থা গঢ়ি তুলিছ। মন্ত্ৰালয়ে কৈছে, যে নতুন ব্যৱস্থাই নিয়ন্ত্ৰণ বিষয়ক নীতি-নিয়মসমূহৰ পালন, সীমা শুল্ক বিভাগৰ ক্ষীপ্ৰ অনুমোদন আৰু কোনো ধৰণৰ অতিৰিক্ত শুল্ক বা বিলম্ব অবিহনে আমেৰিকা যুক্তৰাষ্ট্ৰৰ গ্ৰাহকসকললৈ অসুবিধাৰহিত প্ৰদান সুনিশ্চিত কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দলৰ কৰ্মীসকলৰ সৈতে মত বিনিময় কৰি বিহাৰ বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ আৰম্ভ কৰিব। **মোৰ বুথ সবাতোকৈ শক্তিশালী** শীৰ্ষক প্ৰচাৰৰ অধীনত প্ৰধানমন্ত্ৰীগৰাকীয়ে দলীয় কৰ্মীৰ সৈতে মত বিনিময় কৰিব।

বিজেপি দলে কালি বিহাৰ বিধানসভা নিৰ্বাচনৰ বাবে ৭১ গৰাকী প্ৰাৰ্থীৰ প্ৰথমখন তালিকা প্ৰকাশ কৰিছে। এই অনুসৰি, উপ-মুখ্যমন্ত্ৰী সম্ৰাট চৌধৰীয়ে তাৰাপুৰ আৰু উপ-মুখ্যমন্ত্ৰী বিজয় সিনহাই লখীচৰাই আসনৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰিব। বিহাৰৰ স্বাস্থ্য মন্ত্ৰী মংগল পাণ্ডেই চিৱাং সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰিব। একেদৰে, ৰাজ্যিক মন্ত্ৰী নীতিন নবীনে বাংকিপুৰ আৰু ৰেণু দেৱীক বেটীয়া সমষ্টিৰ পৰা দলীয় টিকট প্ৰদান কৰা হৈছে। ত্ৰি বিক্ৰম সিঙে ঔৰঙ্গাবাদ, শ্ৰেয়াসী সিঙে জমুৰী আৰু প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী ৰাম কৃপাল যাদৱ দানাপুৰ আসনৰ পৰা নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হ'ব। এন ডি এৰ আন এটা দল হিন্দুস্তানী আৱাম মৰ্চাইও ছজনীয়া প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰিছে। বিৰোধী দল চিপিআই (এম এল) লিবাৰেচনে ১৮ জনীয়া প্ৰাৰ্থীৰ তালিকা ইতিমধ্যে প্ৰকাশ কৰিছে।

ooooo

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে আজি অন্ধ্ৰ প্ৰদেশ, কেৰালা, মাহে, দক্ষিণ অভ্যন্তৰীণ কৰ্ণাটক, তামিলনাডু, পুডুচেৰী, আৰু কৰিকালৰ কিছু অংশত ধাৰাষাৰ বৰষুণৰ সম্ভাৱনা প্ৰকাশ কৰিছে। সংস্থাটোৰ তথ্য অনুসৰি আজি অভ্যন্তৰীণ কৰ্ণাটক, লক্ষদ্বীপ, ওড়িশা, তেলেংগানা উপকূলীয় কংকন, গোৱা, আৰু মহাৰাষ্ট্ৰতো ধুমুহা, বিজুলী, আৰু বতাহ বৰষুণ হোৱাৰ সম্ভাৱনা আছে। বতৰ বিজ্ঞান বিভাগে মাছমৰীয়াসকলক চলিত মাহৰ ১৯ তাৰিখলৈকে আৰব সাগৰ, বংগোপসাগৰ আৰু ইয়াৰ কাষৰীয়া সাগৰীয় অঞ্চললৈ নাযাবলৈ পৰামৰ্শ দিছে।

০০০০০

আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে ইউক্ৰেইনত চলি থকা যুদ্ধৰ বাবে ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাদিমিৰ পুটিনক সমালোচনা কৰিছে। পুটিনে যুদ্ধখন অব্যাহত ৰখাৰ কোনো কাৰণ আমেৰিকাৰ ৰাষ্ট্ৰপতিগৰাকীয়ে বুজি পোৱা নাই বুলি মত ব্যক্ত কৰি কয় যে এসপ্তাহৰ ভিতৰতে ৰাছিয়াৰ ৰাষ্ট্ৰপতিগৰাকীয়ে যুদ্ধখন জিকিব লাগিছিল।

হোৱাইট হাউছত আৰ্জেণ্টিনাৰ ৰাষ্ট্ৰপতি জেভিয়াৰ মিলেইৰ সৈতে দুপৰীয়াৰ আহাৰ গ্ৰহণৰ সময়ত ৰাষ্ট্ৰপতি ট্ৰাম্পে এই মন্তব্য কৰে। পৰহিলৈ হোৱাইট হাউছত ৰাষ্ট্ৰপতি ট্ৰাম্পে ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ'ল'ডিমাইৰ জেলেনস্কিৰ সৈতে সাক্ষাৎ কৰাৰ সম্ভাৱনা আছে। এই বৈঠকত কিয়ভৰ প্ৰতি আমেৰিকাৰ সমৰ্থন অব্যাহত ৰখাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হ'ব।

০০০০০

স্থল সেনা বাহিনীৰ ৰণনীতি শাখাৰ উপ-মুৰব্বী লেফটেনেণ্ট জেনেৰেল ৰাজীৱ ঘায়ে অপাৰেচন সিন্দূৰৰ সময়ত বায়ু সেনাই পাকিস্তানৰ ১২-১৩ খন সামৰিক বিমান ভূপতিত কৰা বুলি আৰু শতাধিক সন্ত্ৰাসবাদীক নিধন কৰা বুলি প্ৰকাশ কৰিছে। নতুন দিল্লীত আয়োজিত ৰাষ্ট্ৰসংঘৰ অভিযানত অৱদান আগবঢ়োৱা ৩২ খন দেশৰ মুৰব্বী আৰু প্ৰতিনিধিসকলৰ সন্মিলনত ভাষণ দি লেফটেনেণ্ট জেনেৰেল ঘায়ে কালি এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে অপাৰেচন সিন্দূৰ সেনা বাহিনীৰ তিনিওটা শাখাৰ অভিযান আছিল। এই অভিযান সামৰিক সূক্ষ্মতা, কূটনৈতিক ক্ষীপ্ৰতা, তথ্য বিষয়ক শ্ৰেষ্ঠত্ব আৰু অৰ্থনৈতিক সুবিধাৰ অভিনৱ সংযোজন আছিল বুলি তেওঁ মন্তব্য কৰে।

০০০০০

আই চি চি মহিলাৰ এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত শ্ৰীলংকা আৰু নিউজিলেণ্ডৰ মাজত খেলখন বৰষুণৰ বাবে কালি পৰিত্যক্ত ঘোষণা কৰা হয়। কলম্বোৰ আৰ প্ৰেমাদাচা ষ্টেডিয়ামত অনুষ্ঠিত টুৰনামেন্টৰ এয়া দ্বিতীয়খন বৰষুণৰ বাবে পৰিত্যক্ত হয়। ধাৰাষাৰ বৰষুণৰ ফলত দুঘন্টাৰো অধিক সময় ধৰি খেল অনুষ্ঠিত নোহোৱাত দুয়োটা দলকে এটাকৈ পইন্ট ভগাই দিয়া হয়।

০০০০০

সমাপ্ত